৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

টাৰ বাণী

ৰু পৃথিৱীখনক
লে শিকাটো হ'ল
জাৰা এক প্ৰেম
মধুৰ আৰম্ভণি।

— অস্কাৰ ৱাইল্ড


# অসম আদিত্য

RNI REGN. No.
epaper.a
Portal : ww
e-mail : asc

■ সংখ্যা ২১৩ ■ ২১ শাওণ, ১৯৪৮ শক ■ শুকুৰবাৰ, ৭ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Friday, August 7, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশি


কেঁচা জলকীয়
ৰোগ প্ৰতিৰে
কৰে। ফল
সমস্যাৰ পৰা

## কানৈ মহাবিদ্যালয়ত নিযুত মইনা-বাবু আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ



**ষ্টাফ ৰিপৰ্টাৰ, ৬ আগষ্ট ঃ** 'ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ঘৰখনৰ লগতে মহাবিদ্যালয়খনকো সামানে ভাল পাব লাগিব।' অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অভিলাসী আঁচনি 'নিযুত মইনা আৰু নিযুত বাবু-২০২৬' বৰ্ষৰ তৃতীয় সংস্কৰণ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে আজি এইদৰে কয়। মুখ্যদ্বাৰৰ পৰা গায়ন-বায়ন আৰু এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই অনা অনুষ্ঠানটিত বিধায়ক ফুকনে কয় — মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ এই অভিলাসী আঁচনিয়ে ছাত্ৰ-ছাত্ৰীসকলক স্বাৱলম্বী হোৱাত বিশেষভাৱে সহায় কৰিব। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— তোমালোকে কানৈ মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ যি সুযোগ লাভ কৰিছা, সেই সুযোগ আয়ত্ব কৰি নিজকে ভৱিষ্যতে সুপ্ৰতিষ্ঠিত কৰাৰ দৃঢ় সংকল্প ল'ব লাগিব। তেওঁ কয়— বৰ্তমান সময়ত সামজখন যেনেধৰণে আগবাঢ়ি গৈছে তাক যুৱ প্ৰজন্মই আৰু অধিক ত্বৰান্বিত কৰাত সহায় কৰিব। যুৱ প্ৰজন্মৰ সুস্থ চিন্তাধাৰা অবিহনে সমাজ এখন কেতিয়াও আগুৱাই যাব নোৱাৰে। বিধায়ক ফুকনে কয়— আজি উঠি অহা প্ৰজন্ম কাইলৈ দেশৰ নাগৰিক বুলি উল্লেখ কৰি কয়— উঠি অহা প্ৰজন্মই কাইলৈ একোগৰাকী সু-নাগৰিক হৈ দেশৰ ধৰণী ধৰিব লাগিব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহৰ পৰা দিনৰ ১২.৩০ বজাত পোনপটীয়াকৈ সম্প্ৰচাৰ হোৱা এই অনুষ্ঠান মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত তিনি শতাধিক ছাত্ৰীয়ে প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা তথা নিযুত বাবু আঁচনিৰ সমন্বয়ক ড০ হানিফা ৰহমানে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই উদ্বোধনী ভাষণ প্ৰদান কৰি কয় — আজিৰ দিনটো কেৱল এখন চৰকাৰী সভাৰ দিন নহয়, আজিৰ দিনটো হৈছে নৱপ্ৰজন্মৰ সপোনক ডেউকা দিয়াকৈ অসমৰ কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দুখন অতি যুগান্তকাৰী, অভিলাসী আঁচনি- 'নিযুত মইনা' আৰু 'নিযুত বাবু'ৰ শুভ আৰম্ভণিৰ এক বিৰল মুহূৰ্ত। ডিব্ৰুগড় জিলাৰ অতিৰিক্ত আয়ুক্ত দ্বীপময় ঠাকুৰীয়া, মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতি প্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈৰ লগতে কেইবাজনো গণ্যমান্য ব্যক্তিৰ উপস্থিতিত বিধায়ক ফুকনে এই নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ প্ৰ-পত্ৰসমূহ আনুষ্ঠানিকভাৱে ছাত্ৰীসকলৰ মাজত বিতৰণ কৰি কানৈ মহাবিদ্যালয়ত ইয়াৰ শুভাৰম্ভ কৰে। মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপিকা ড০ জুৰি বৰুৱা আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক শিৱনাথ চুতীয়া, উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক অভিলাষ ভট্টাচাৰ্য আৰু ইংৰাজী বিভাগৰ অধ্যাপিকা ড০ হানিফা ৰহমানে এই দুই আঁচনিৰ সমন্বয়ক হিচাপে ছাত্ৰ-ছাত্ৰীসকলক নিয়মাৱলী আৰু সময়সীমাৰ বিষয়ে অৱগত কৰে। উল্লেখ্য যে, কৃত্ৰিম বুদ্ধিমত্তাযুক্ত প্ৰযুক্তিৰে চালিত স্মাৰ্টব'ৰ্ড জৰিয়তে মহাবিদ্যালয় শ্ৰেণীকোঠাসমূহতো প্ৰায় সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে মুখ্যমন্ত্ৰীৰ আঁচনি শুভাৰম্ভণী অনুষ্ঠানটি প্ৰত্যক্ষভাৱে উপভোগ কৰে। শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপক অভিলাষ ভট্টাচাৰ্যই।